# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-10-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
**:::::::::::::::::::::::::::::::::::::::**

ৰাজ্যত আজিৰে পৰা মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ আৰম্ভ হ'ব। তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত ভূমিহীন লোকক ভূমি প্ৰদান, দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত আবেদন কৰা লোকসকলৰ স্থগিত ৰখা আবেদনসমূহৰ পুনৰীক্ষণ, নগৰ আৰু কাষৰীয়া অঞ্চলত ৰেহাই প্ৰিমিয়াম হাৰত একচনীয়া পট্টাৰ ম্যাদীকৰণৰ কাম আৰম্ভ কৰা, পূৰ্বৰ গ্ৰাম্য কিন্তু পৰৱৰ্তীকালত নগৰ অঞ্চল হিচাপে ঘোষিত এলেকাত দখলীস্বত্ব থকা ৰায়তক মালিকীস্বত্ব প্ৰদান, প্ৰসাৰিত ৰূপত ভূমিৰ শ্ৰেণী পৰিৱৰ্তন, চাহ অনুদান ভূমিৰ পট্টাৰ শ্ৰেণী পৰিৱৰ্তন আৰু পট্টা প্ৰদান আদি কাৰ্যসূচী হাতত লোৱা হ'ব। এই সেৱাসমূহৰ দ্বাৰা উপকৃত হ'বলৈ sewasetu.assam.gov.in ত আবেদন কৰিব পাৰিব অথবা নিকটৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈ আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব।

০০০০০০০

চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে ডিজিটেল সাক্ষৰতা অত্যন্ত জৰুৰী বুলি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰিছে। কালি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত চাইবাৰ সুৰক্ষা বিষয়ত আলোচনাত অংশ লৈ শ্ৰীগুপ্তাই এইকথা উল্লেখ কৰে। তেওঁ কয় যে অপৰাধীসকলে বিভিন্ন কৌশল অৱলম্বন কৰি জনসাধাৰণক প্ৰৱঞ্চনা কৰাৰ চেষ্টা চলায়। বিশেষকৈ সামাজিক মাধ্যমসমূহৰ জৰিয়তে তেঁওলোকে গ্ৰাহকৰ ওচৰ চপাৰ চেষ্টা কৰে। যিকোনো ধৰণৰ বিনামুলীয়া সেৱা বা সামগ্ৰী আগবঢ়োৱাৰ প্ৰস্তাৱ পালেই সহজেই বিশ্বাসত নল'বলৈ তেওঁ জনসাধাৰণক আহ্বান জনায়। তেওঁ কয় যে, এই অপৰাধীসকলে কোনো কোনো সময়ত বিদ্যুৎ, টেলিফোন সেৱা বা এ টি এম বন্ধ কৰি দিয়া হ'ব বুলি ভাবুকি কৰা বাৰ্তা দিব পাৰে। ভূৱা অনলাইন চাকৰিৰ প্ৰলোভন, ধন বিনিয়োগৰ প্ৰলোভন, ভ্ৰমণৰ ক্ষেত্ৰত বিশেষকৈ হোটেল আদি বুকিং কৰাৰ সময়তো এনে ধৰণৰ অপৰাধী চক্ৰসমূহে ৰাইজক প্ৰৱঞ্চনা কৰাৰ বিভিন্ন কৌশল অৱলম্বন কৰে বুলি তেওঁ কয়। সেয়েহে প্ৰতিটো ক্ষেত্ৰতে নিখুতভাৱে চালি-জাৰি চাই আৰু প্ৰয়োজন হলে অভিজ্ঞসকলৰ পৰা জানি বুজি লৈহে আগবঢ়া প্ৰয়োজন বুলি শ্ৰীগুপ্তাই মন্তব্য কৰে। বিত্তীয় ক্ষেত্ৰত অপৰাধীৰ পৰা হাত সাৰিবলৈ হ'লে সমস্যাৰ সন্মুখীন হোৱা মাত্ৰেই **১৯৩০** বা চাইবাৰ অপৰাধৰ পোৰ্টেলত অভিযোগ দিবলৈ তেওঁ আহ্বান জনায়। অসম আৰক্ষীক চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে পৰ্যাপ্ত প্ৰযুক্তিগত সুবিধা প্ৰদান কৰা হৈছে বুলি তেওঁ কয়। অতি সোনকালে ৰাষ্ট্ৰীয় চাইবাৰ ফৰেনচিক গৱেষণাগাৰ প্ৰতিষ্ঠা হ'ব আৰু ইয়াৰ দ্বাৰা এনে অপৰাধসমূহ ৰোধ কৰাৰ ক্ষেত্ৰত সুদূৰ প্ৰসাৰি পৰিৱৰ্তন হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

বিজেপিয়ে অসম, বিহাৰ, ছত্তিশগড়, কৰ্ণাটক, কেৰালা, মধ্যপ্ৰদেশ, ৰাজস্থান আৰু পশ্চিমবংগৰ কেইখনমান বিধানসভা আসনৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। দলে অসমৰ ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। কেৰালাৰ ৱায়নাড লোকসভা আসনৰ উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী প্ৰিয়ংকা গান্ধী ৱাদ্ৰাৰ বিৰুদ্ধে বিজেপিয়ে নব্যা হৰিদাসক থিয় কৰাইছে। বিজেপিয়ে অসমৰ তিনিখন, বিহাৰ, কৰ্ণাটক, কেৰালা আৰু মধ্যপ্ৰদেশৰ দুখনকৈ আৰু ৰাজস্থান তথা পশ্চিমবংগৰ ৬ খনকৈ বিধানসভা আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

০০০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ইমৰান শ্বাহক আজি মাতৃভাষা বঁটা ২০২৪ প্ৰদান কৰা হ'ব। শিৱসাগৰ নগৰৰ সমীপৰ ধাইআলিত থকা ইমৰান শ্বাহৰ বাসগৃহত সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদে সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰিব। যোৱা ৬ অক্টোবৰত মঙলদৈত অনুষ্ঠিত শ্বহীদ মোজাম্মিল হক স্মাৰক মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ উদ্যোগত সফলতাৰে অনুষ্ঠিত হৈ যোৱা সপ্তদশ কেন্দ্ৰীয় মাতৃভাষা দিৱসত লোৱা সিদ্ধান্তমৰ্মে ইমৰান শ্বাহক এই বঁটা প্ৰদান কৰা হ'ব বুলি অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদে জানিবলৈ দিছে।

০০০০০০০

যোৰহাটৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি মিছন শক্তি আঁচনিৰ জিলা পৰ্যায়ৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, সহকাৰী আয়ুক্ত আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। মহিলা আৰু শিশু বিকাশ বিভাগৰ অধীনত ৰূপায়ণ কৰিবলগীয়া এই আঁচনিৰ জৰিয়তে ছোৱালী আৰু মহিলাসকলৰ সৱলীকৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে মহিলাৰ সুৰক্ষা আৰু আৰ্থসামাজিক দিশৰ সৱলীকৰণৰ বাবে বিভিন্ন হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী সেৱা আগবঢ়োৱা হ'ব।

০০০০০০০

শিৱসাগৰৰ কোৱামৰা সন্দিকৈ গাঁৱত নাহৰফুটুকী বাঘৰ মুক্ত বিচৰণত অঞ্চলটোৰ ৰাইজ আতংকিত হৈ পৰিছে। অঞ্চলটোত দীৰ্ঘদিন ধৰি বাঘে ঘৰচীয়া জীৱ-জন্তুক চিকাৰ কৰি ভক্ষণ কৰি আহিছে। নাহৰফুটুকীৰ আতংকত অঞ্চলটোৰ ৰাইজ গৃহবন্দী হৈ থকা পৰিলক্ষিত হৈছে। শিৱসাগৰ বন বিভাগক নাহৰফুটুকীটোক পিঞ্জৰাবদ্ধ কৰিবলৈ স্থানীয় ৰাইজে আহ্বান জনাইছে।

০০০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে বেংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি পঞ্চম দিনা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। নিউজিলেণ্ডক জয়ৰ বাবে ১০৭ ৰানৰ প্ৰয়োজন। ইয়াৰ পূৰ্বে ভাৰতে কালি ৪৬২ ৰানত দ্বিতীয় ইনিংছ সামৰে। ভাৰতৰ হৈ ছৰফৰাজ খানে ১৫০ ৰান কৰাৰ বিপৰীতে ঋষভ পণ্টে ৯৯ ৰানৰ বৰঙণি আগবঢ়ায়।

ভাৰতে বৰ্ষাবিঘ্নিত খেলখনৰ দ্বিতীয় দিনা প্ৰথমে বেট ধৰি প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৪৬ ৰানহে কৰিবলৈ সমৰ্থ হৈছিল। নিউজিলেণ্ডে প্ৰথম ইংনিছত ৪০২ ৰান সংগ্ৰহ কৰিছিল।

০০০০০০০

সমাপ্ত